# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 15-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসূঁতিলৈ উভতি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২১ চনৰ পৰা ১১ হাজাৰৰো অধিক নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যক পুনৰ সংস্থাপন দিয়া হৈছে। আলফা, আদিৱাসী আৰু ডিমাচা উগ্ৰপন্থীৰ সৈতে শান্তি চুক্তি সম্পন্ন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ এই শান্তি চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৪ হাজাৰ কোটি টকাৰ আৱণ্টনত অনুমোদন জনাইছে।

ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে স্বৰাজোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সোঁৱৰণ কৰে। তেওঁ কয়, যে বৰদলৈয়ে অসমৰ থলুৱা লোকসকলৰ সুৰক্ষাৰ লগতে প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়য়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। চাংসাৰিত উত্তৰ-পূবৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি ড০ শৰ্মাই মন্তব্য কৰে। ৰাজ্যৰ জনগাঁথনিৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা দূৰ কৰিবলৈ অসম চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ অবৈধ দখলকাৰীৰ পৰা ভূমি পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত দায়িত্বশীল নাগৰিক হিচাপে নিজৰ কৰ্তব্য পালন কৰিবলৈ সকলোকে আহ্বান জনায়।

বিকাশৰ ক্ষেত্ৰত ২০২০-২১ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১১৩ শতাংশ বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে বিভিন্ন গোচৰৰ অভিযোগ নামা দাখিলৰ হাৰ পূৰ্বৰ ৪৭ৰ পৰা ৬৭ শতাংলৈ বৃদ্ধি হৈছে। ড° শৰ্মাই ইয়াৰ পূৰ্বে গুৱাহাটীৰ শ্ৰদ্ধাঞ্জলি কাণনত স্বাধীনতা সংগ্ৰামী শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

০০০০

৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্য আৰু ৰাজ্যৰ প্ৰথমগৰাকী মহিলা কুমুদ দেৱীয়ে আয়োজন কৰা **এট হোম** কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ সহধৰ্মিনী ৰিণিকী ভূঞা শৰ্মাই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল

কুমাৰ মহন্ত, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কেইবাগৰাকীও মন্ত্ৰী, সাংসদ, প্ৰাক্তন সাংসদ, আমোলা আৰু বিভিন্ন গণ্য মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

কামৰূপৰ মহান নৃপতি মহাৰাজ পৃথুৰ নামেৰে নিৰ্মীয়মান নুনমাটি-দিঘলীপুখুৰী উৰণ সেঁতুৰ নামকৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এইকথা সামাজিক মাধ্যমযোগে ঘোষণা কৰে।

০০০০

স্বাধীনতা দিৱসৰ দিনটোত আজি "পৰাক্ৰমী পূৰ্বোত্তৰ নাটমেলা"ক লৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদ দেশাত্মবোধৰ ভাবনাৰে উজ্জীৱিত হৈ উঠে। সাদিনীয়া এই নাট্য উৎসৱৰ আজিৰ প্ৰথম দিনটোত শ্ৰী শ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হিল্লোল কুমাৰ পাঠকৰ "গোপীনাথঃ যুগজয়ী স্বপ্নদ্ৰষ্টা" নামৰ নাটকখন মঞ্চস্থ কৰা হয় । অবিনাশ শৰ্মাই পৰিচালনা কৰা আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে পৰিৱেশন কৰা মনোগ্ৰাহী নাটকখন দুটাকৈ দৰ্শনীত মঞ্চস্থ কৰা হয়। স্বাধীনতা সংগ্ৰামত বীৰত্বৰ পৰিচয় দিয়া তথা আত্মাহুতি দিয়া পূৰ্বোত্তৰৰ অবন্দিত বীৰ-বীৰাংগনাসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্যৰে আয়োজন কৰা নাটমেলাৰ সৌষ্ঠৱ বৃদ্ধি কৰি আজি দ্বিতীয় দৰ্শনীত ৰাজ্যপাল লক্ষণ প্ৰসাদ আচাৰ্য উপস্থিত থাকে । ৰাজ্যপালগৰাকীয়ে কলাক্ষেত্ৰ সমাজৰ এই সজ প্ৰয়াসৰ শলাগ লয়। স্বাধীনতা সংগ্ৰামত গোপীনাথ বৰদলৈ , তৰুণৰাম ফুকনৰ দৰে বৰেণ্য যোদ্ধাসকলক সবল নেতৃত্ব , গান্ধীজীৰ অসম আগমন , অসহযোগ তথা আইন অমান্য আন্দোলন আদি বিভিন্ন দিশ সামৰি সাৱলীলভাৱে উপস্থাপন কৰা নাটখনে দৰ্শকক আপ্লুত কৰে।

উল্লেখযোগ্য যে নাট মঞ্চস্থ হোৱাৰ পূৰ্বে অত্যাধুনিক প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে প্ৰেক্ষাগৃহ পৰিসৰত আয়োজন কৰা "স্বৰাজ পৰিক্ৰমা" শীৰ্ষক প্ৰদৰ্শনী আৰু "পূৰ্বৰংগ" নামৰ কলাত্মক কাৰ্যসূচী মুকলি কৰে কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে। এই দুয়োটা কাৰ্যসূচী স্বৰাজ আন্দোলনৰ গৰিমাৰ আধাৰত যুগুত কৰা হৈছে। আজিৰ "পূৰ্বৰংগ" কাৰ্যসূচীত স্বাধীনতা আন্দোলনত অসমৰ ভূমিকাক লৈ আগশাৰীৰ সাংস্কৃতিক গোষ্ঠী "থাৰ্ড আই"-এ পৰিৱেশন কৰে বিজিত কুমাৰ দাস পৰিচালিত নৃত্য নাটিকা "তৰিলে দেশ মৰিলে স্বৰ্গ"। আনহাতে, "স্বৰাজ পৰিক্ৰমা" শীৰ্ষক প্ৰদৰ্শনীখনত বহু আপুৰুগীয়া ছবি আৰু দৃশ্য-শ্ৰব্য অনুষ্ঠান দৰ্শকৰ বাবে অন্যতম আকৰ্ষণত পৰিণত হয়। তদুপৰি নাটমেলা উপলক্ষে প্ৰকাশিত "ৰূপান্তৰ" নামৰ আটকধুনীয়া স্মৃতিগ্ৰন্থখনো সচিবগৰাকীৰ লগতে বিশিষ্ট ব্যক্তিসকলে উন্মোচন কৰে। "পৰাক্ৰমী পূৰ্বোত্তৰ নাটমেলা"ত কাইলৈ সন্ধিয়া ৫ আৰু ৭-৩০ বজাত নাট্যকাৰ-পৰিচালক মৃণাল কুমাৰ বৰাৰ "গোভাৰজা ছত্ৰচিং- অপ্ৰতিৰোধ্য দেওৰজা" পৰিৱেশন কৰিব নগাঁৱৰ "ৰংগালয়"-এ।

০০০০

গুৱাহাটী মহানগৰ যান বাহন আৰক্ষীৰ লোকসকলে কাইলৈৰ পৰা ডাঠ নীলা পোচাকৰ পৰিৱৰ্তে পুনৰ বগা পোচাক পৰিধান কৰিব। এই সন্দৰ্ভত আজি উপ আৰক্ষী আয়ুক্তই এক নিৰ্দেশনা জাৰি কৰিছে।

০০০০

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো শিলচৰৰ মধুৰবন্দৰ কাছাৰ স্পোৰ্টিং ক্লাৱে বৰাক নদীত নাও খেল প্ৰতিযোগিতাৰ আয়োজন কৰে। স্থানীয় ভাষাত নাও বাইচ হিচাপে পৰিচিত এই পৰম্পৰাগত নাও খেল উপভোগৰ বাবে আজি বৰাক নদীৰ পাৰত বহুসংখ্যক লোক সমবেত হয়। এইবাৰৰ প্ৰতিযোগিতাত বৰাক উপত্যকাৰ ৩ খন জিলাৰ উপৰি উজনি অসমৰ বিভিন্ন স্থানৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে।

০০০০

নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ আজি সন্ধিয়া প্ৰায় চাৰে ছয় বজাত চেন্নাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। তেওঁৰ বয়স হৈছিল ৮০ বছৰ। জ্যেষ্ঠ  বিজেপি নেতা লা গণেশনে ২০২৩ বৰ্ষৰ ফেব্ৰুৱাৰীত নাগালেণ্ডৰ ৰাজ্যপাল হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পূৰ্বে মণিপুৰ আৰু পশ্চিমবংগৰ ৰাজ্যপাল হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। কাইলৈ সন্ধিয়া ৫ বজাত চেন্নাইত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

০০০০

ডিব্ৰুগড়ৰ বগীবিল দলঙত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত  এজন মটৰ চাইকেল আৰোহী থিতাতে নিহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে, এখন চাৰিচকীয়া বাহন আৰু মটৰ চাইকেলখনৰ মাজত মুখামুখিকৈ খুন্দা লগাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। চাৰিচকীয়া বাহনখনৰ দুগৰাকী আৰোহীক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ